# ASEAN-India Ministerial Meeting

September 12, 2020

## এছিয়ান- ভাৰত মন্ত্ৰালয়িক বৈঠক

ছেপ্তেম্বৰ 12, 2020

1. 12 ছেপ্তেম্বৰ 2020 তাৰিখে ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী মহামান্য ড০ এছ জয়শংকৰে থাইলেণ্ডৰ উপ প্ৰধানমন্ত্ৰী আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী মহামান্য ডন প্ৰামুড্ৱিনাইৰ সৈতে এছিয়ান-ভাৰত মন্ত্ৰালয়িক বৈঠকত সহ-অধ্যক্ষতা কৰে। এই বৈঠকখন ভাৰ্চুৱেলি অনুষ্ঠিত হৈছিল আৰু ভাৰত আৰু দহখন এছিয়ান সদস্য ৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰীসকলে এংশগ্ৰহণ কৰিছিল।

2. বৈঠকত সামুদ্ৰিক সহযোগিতা, যোগাযোগ, শিক্ষা আৰু সক্ষমতা বৃদ্ধি আৰু মানুহৰ সৈতে মানুহৰ যোগাযোগ সহ বিভিন্ন ক্ষেত্ৰত এছিয়ান-ভাৰত কৌশলগত অংশীদাৰিত্বৰ স্থিতিৰ লগতে এছিয়ান-ভাৰত কাৰ্য পৰিকল্পনা (2016-2020)ৰ কাৰ্যকৰীকৰণৰ ওপৰত পৰ্যালোচনা হৈছিল। বৈঠকত আসন্ন 17তম এছিয়ান-ভাৰত শীৰ্ষ সন্মিলনৰ প্ৰস্তুতিৰ লগতে 2019 বৰ্ষৰ নৱেম্বৰত বেংককত আয়োজিত 16 তম এছিয়ান-ভাৰত শীৰ্ষ সন্মিলন আৰু পূৰ্বৱৰ্তী শীৰ্ষসন্মিলনসমূহত ভাৰত আৰু এছিয়ান সদস্য ৰাষ্ট্ৰ (AMS)সমূহৰ নেতাসকলৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ বাস্তৱায়নৰ অগ্ৰগতিৰো পৰ্যালোচনা কৰে।

3. বৈঠকখনত নতুন কাৰ্য পৰিকল্পনা (2021-2025) গৃহীত কৰা হয়। মন্ত্ৰীসকলে ক'ভিড-19 মহামাৰীৰ সৈতে যুঁজত সহযোগিতা দৃঢ় কৰাৰ বিষয়ে আলোচনা কৰাৰ লগতে গুৰুত্বপূৰ্ণ আঞ্চলিক আৰু ৰাজনৈতিক উন্নয়নসমূহৰ ওপৰত মত বিনিময় কৰে।

**নতুন দিল্লী**
**ছেপ্তেম্বৰ 12, 2020**

**DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.**